# নোহৰ দৰে তেওঁৰ লগত ফুৰা লোকক ঈশ্বৰে ৰক্ষা কৰে

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন S1b পঢ়ক।

**প্ৰাৰ্থনা ঃ** "হে, আমাৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰ, আপোনাৰ শুভবাৰ্ত্তা ভগাই লোৱা লোকক অনুগ্ৰহ কৰি আপুনি ৰক্ষা কৰক। যীচু পুনৰ নহালৈকে আমি বৈ থাকোঁতে মন্দতা আৰু মৃত্যুৰ পৰা আমাক ৰক্ষা কৰক।"

**১। পৰিত্ৰাণ উপভোগ কৰিবলৈ, আৰু পাপীক ত্ৰাণকৰ্ত্তাৰ ওচৰলৈ চলাই নিবলৈ আপোনাৰ জাককক প্ৰস্তুত কৰক।**


পটভূমি ঃ আদিপুস্তক ৬ঃ৫ ৰ পৰা ৯ঃ১৯ পদলৈ নোহৰ কাহিনীটো পঢ়ক।

চাওক, আদিপুস্তক ৬ঃ৫-১৩, তেওঁ সৃষ্টি কৰা লোকবিলাকক ঈশ্বৰে কিয় ধ্বংস কৰিলে।

চাওক, আদিপুস্তক ৬ঃ৮-৯, নোহ আৰু তেওঁৰ পৰিয়ালক কিয় ঈশ্বৰে ৰক্ষা কৰিলে।

চাওক, আদিপুস্তক ৬ঃ১৩-২২, নোহ আৰু তেওঁৰ পৰিয়ালক কিদৰে মহা জলপ্লাবনৰ পৰা ঈশ্বৰে ৰক্ষা কৰিলে।

*(উত্তৰবোৰ ঃ নোহ আৰু তেওঁৰ পৰিয়ালে এখন জাহাজ নিৰ্ম্মাণ কৰি তাত সোমাল, সেয়ে পানীত ডুব নগল। 'আৰ্ক' এই ইব্ৰী ভাষাৰ শব্দৰ অৰ্থ এটা ডাঙৰ বাকচ। নোহৰ জাহাজখন এটা প্ৰকাণ্ড বাকচৰ দৰে যি নাওঁৰ দৰে উপঙি আছিল।)*



চাওক, তিনিটা কথা যি পুনৰুত্থিত যীচুৱে গোটেই জাতিকে কবলৈ আমাক আজ্ঞা দিছে, লূক ২৪ঃ৪৬-৪৮।

*(উত্তৰ ঃ মন পালটন কৰা সকলোলৈকে যীচুৰ মৃত্যু, তেওঁৰ পুনৰুত্থান আৰু ঈশ্বৰৰ ক্ষমা দান।)*

চাওক, লূক ২৪ঃ৪৬ পদত, আমাক ৰক্ষা কৰিবলৈ যীচুৱে দুটা মহৎ কাৰ্য্য কৰিলে।

*(উত্তৰ ঃ ১) তেওঁ বোৱা তেজৰ দ্বাৰাই ঈশ্বৰে আমাৰ পাপবোৰ ক্ষমা কৰিলে।, ১ যোহন ১ঃ৭,২) তেওঁৰ পুনৰুত্থানৰ দ্বাৰাই, আমাক নতুন আৰু অনন্ত জীৱন দান কৰে, ৰোমীয়া ৬ঃ৩-১৪।)*

চাওক... ১) ইফিচীয়া ২ঃ৬, কাৰ লগত আমি স্বৰ্গলৈ তোলা হলোঁ? ২) ১ কৰিন্থীয়া ১২ঃ১-১৩, যীচুৰ অনন্তকলীয়া শৰীৰত কোনে আমাক থয়? ৩) ১ কৰিন্থীয়া ১৫ঃ২১-২৩, আমাৰ পৰিত্ৰান কাৰ দ্বাৰাই আহে। ৪) ৰোমীয়া ৬ঃ৩-১৪, নতুন, পবিত্ৰ জীৱনত তোলা হবলৈ, আমি কিহত মৰোঁ। ৫) ১ পিতৰ ৩ঃ১৮-২২, জাহাজখন কিদৰে যীচুৰ পুনৰুত্থিত শৰীৰ স্বৰূপ।

*(উত্তৰ ঃ ১) খ্ৰীষ্ট। ২) পবিত্ৰ আত্মা। ৩) যীচু। ৪) পাপ। ৫) নোহৰ প্ৰকাণ্ড জাহাজখনে খ্ৰীষ্টৰ পুনৰুত্থিত শৰীৰ ব্যাখা কৰে, কাৰণ যীচুৰ শৰীৰ দৰে যিবিলাকে ঈশ্বৰৰ লগত অহা-যোৱা কৰিলে, তেওঁলোক মৃত্যুৰ পৰা ৰক্ষা পালে। আমি তেওঁৰ অনন্ত শৰীৰত, নতুন, পবিত্ৰ আৰু অনন্ত জীৱনত, খ্ৰীষ্টত পুনৰুত্থিত হলোঁ। যীচু আমাৰ জাহাজ।)*

১ পিতৰ ৩ঃ২১ পদত চাওক, পিতৰে স্পষ্টকৈ বুজাই দিয়া বাপ্তিস্মৰ দুটা ভাৰ।

*(উত্তৰ ঃ ১) পানীৰে শৰীৰ ধোৱা, ২) এক স্পষ্ট কৰ্ত্তব্যজ্ঞান।)*

এই দুটা ভাবৰ কোনটোৱে পৰিত্ৰানলৈ নিয়ে, শাৰীৰিক পানী অথবা ঈশ্বৰৰ পৰা আত্মিক নিকাকৰণ?

*(উত্তৰ ঃ পিতৰে স্পষ্টকৈ কৈছে যে আমাৰ শৰীৰৰ পৰা মলি গুচোৱাৰ দ্বাৰাই আমি ৰক্ষা নাপাওঁ, কিন্তু পুনৰুত্থানৰ দ্বাৰাই। এক ভাল বিবেকশক্তিৰ কাৰণে বিশ্বাস আৰু অনুতাপৰ প্ৰয়োজন, যোহন ৩ঃ১৬; পাঁচনিৰ কৰ্ম্ম ২-৩৮।)*

চাওক, আদিপুস্তক ১৯ঃ১৯-২২ পদত, চদোম আৰু ঘমোৰা নগৰ দুখন দূতে ধ্বংস কৰোঁতে লোট আৰু তেওঁৰ জীয়েকহঁতক কেনেকৈ ঈশ্বৰে ৰক্ষা কৰিলে।

*(উত্তৰ ঃ চহৰৰ পৰা এক নিৰাপদ ঠাইলৈ দূতে তেওঁলোকক পঠিয়ালে।*

চাওঁক, ২ পিতৰ ২ঃ৪-৯ পদত, শাৰীৰিক মৃত্যুৰ পৰা পৰিত্ৰানৰ দুটা উদাহৰণ যি পিতৰে বৰ্ণনা কৰিবলৈ উল্লেখ কৰিছিল, ঈশ্বৰে আমাক বিশ্বাসী বিলাকক কিদৰে আত্মিক মৃত্যু আৰু অনন্ত বিচাৰৰ পৰা ৰক্ষা কৰে

*(উত্তৰ ঃ ১) নোহ আৰু তেওঁৰ পৰিয়ালক মহা জলপ্লাবনৰ পৰা ঈশ্বৰে ৰক্ষা কৰিছিল। ২) লোট আৰু তেওঁৰ পৰিয়ালক এক বিৰাট অগ্নিৰ পৰা ৰক্ষা কৰিছিল।)*

চাওক, যাত্ৰাপুস্তক ১৪ঃ২১-৩১ পদত, ইস্ৰায়েলবিলাকক ঈশ্বৰে কিদৰে ৰক্ষা কৰিলে ?

*(উত্তৰ ঃ তেওঁলোক ৰক্ষা পাবলৈ তেওঁ সাগৰক দুভাগ কৰিলে, আৰু পিছত একে সাগৰতে তেওঁলোকক খেদি মিচৰীয়া সৈন্য ডুবালে।)*

তেওঁত বিশ্বাস কৰা লোকক যীচুৱে কি বিষয়ৰ পৰা ৰক্ষা কৰিছিল চাওক, ১) লূক ৭ঃ৩৬-৫০, পাপীলোক ২) মথি ৪ঃ২৩-২৫, ৰোগী, ৩) মাৰ্ক ৬ঃ৩৪-৪২, ভোকাতুৰ লোক। ৪) মাৰ্ক ৫ঃ১-১৫, ভূতে পোৱা, ৫) লূক ৭ঃ১১-১৬, যিসকল মৰিল, ৬) লূক ১৭ঃ১২-১৯, অশুচি।

*(উত্তৰ ঃ ১) তেওঁ যিবিলাকৰ পাপ ক্ষমা কৰিলে। ২) তেওঁ যিবিলাকক সুস্থ কৰিলে। ৩) যীচুৱে অতি কম আহাৰক অনেক কৰি অনেকক খুৱালে। ৪) তেওঁ লোকবিলাকক দুষ্ট আত্মাৰ পৰা উদ্ধাৰ কৰিলে। ৫) তেওঁ কেতিয়াবা মৃত্যুৰ পৰা লোকবিলাকক তুলিলে। ৬) তেওঁক বিশ্বাস কৰা কুষ্ঠ ৰোগীক তেওঁ শুচি কৰিলে।)*

এই শাস্ত্ৰৰ অংশবোৰত চাওক, তেওঁত বিশ্বাস কৰা সকলৰ কাৰণে তেওঁ কৰা কামবোৰ ঃ ১) যোহন ৬ঃ৩৯-৪৭। ২) মথি ২৫ঃ৩১-৪০। ৩) ১ থিচলনীকীয়া ১ঃ৮-১০। ৪) কলচীয়া ২ঃ১৫

*(উত্তৰ ঃ ১) মৃত বিশ্বাসী সকলক তেওঁলোকৰ মৈদামৰ পৰা অনন্ত জীৱনলৈ তুলিলে। ২) তেওঁৰ পুনৰ আগমনত আটাইবোৰ বিশ্বাসীক পুৰষ্কৃত কৰা। ৩) ঈশ্বৰৰ পৰা আহিব লগা ক্ৰোধৰ পৰা আমাক সুৰক্ষা কৰা। ৪) ভূত-পিশাচৰ ক্ষমতা।)*

চাওক, আমি কি কৰা উচিত যাতে চিৰকালৰ নিমিত্তে ঈশ্বৰে আমাক ৰক্ষা কৰিব ঃ ১) ইফিচীয়া ২ঃ৮-১০। ২) পাঁচনিৰ কৰ্ম্ম ২ঃ৩৭-৩৮। ৩) ১ থিচলনীকীয়া ১ঃ৮-১০। ৪) ইব্ৰী ৫ঃ৭-৯।

*(উত্তৰ ঃ ১) বিশ্বাস, ২) অনুতাপ, ৩) যীচুৰ স্বৰ্গৰ পৰা অহালৈ বাট চোৱা। ৪) যীচুৰ বাধ্য হোৱা।)*

**২। আগৰ সপ্তাহৰ কামবোৰৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

আপোনাৰ মণ্ডলীলৈ অহা সকলৰ ঘৰবোৰ পৰিদৰ্শন কৰক আৰু পৰিত্ৰাণৰ অৰ্থে তেওঁলোকক আমন্তণ জনাওঁক।

ৰোগীক চাবলৈ যাওক, ৰোগীক, নিৰুৎসাহীজনক, তাড়না পোৱাজনক চাবলৈ যাওক আৰু তেওঁ বিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰক যেন তেওঁলোকৰ দুঃখ কষ্টৰ পৰা ঈশ্বৰে তেওঁলোকক ৰক্ষা কৰে।

**৩। হবলগীয়া উপাসনা সভাৰ নিমিত্তে সহ-কৰ্ম্মী সকলৰ লগত আঁচনি কৰক।**

নোহৰ কাহিনীটো কওক অথবা নাট কৰক।

বৰ্ণনা কৰক, কিদৰে ঈশ্বৰে লোকবিলাকক অনেক বেয়া বিষয়ৰ পৰা ৰক্ষা কৰে (১ম খণ্ড চাওক, ওপৰত।)

বৰ্ণনা কৰক, কিদৰে মানুহবিলাক চিৰদিনৰ বাবে ৰক্ষা পাব পাৰে।

ল'ৰা-ছোৱালীয়ে শিকা নাট পৰিবেশন কৰিবলৈ দিয়ক। সিঁহতে প্ৰস্তুত কৰা প্ৰশ্নবোৰ ডাঙৰবোৰক সুধিবলৈ দিয়ক।

বিশ্বাসীসকলক সৰু গোটবোৰ গঠন কৰিবলৈ দিয়ক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ আৰু বন্ধু-বান্ধৱৰ পৰিত্ৰানৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ দিয়ক, প্ৰাৰ্থনা কৰক যেন আপোনাৰ দেশৰ অৱহেলিত দলবোৰক ঈশ্বৰে ৰক্ষা কৰে।

একেলগে মুখস্থ কৰক, ১ পিতৰ ৩ঃ২১-২৩।

প্ৰভু ভোজ স্থাপন কৰিবলৈ, চমুকৈ বৰ্ণনা কৰক কিদৰে নিজৰ ঘৰৰ চৌকাঠত তেজ লগোৱাৰ দ্বাৰাই মৃত দূতৰ পৰা ইস্ৰায়েলবিলাক ৰক্ষা পৰিছিল, যিবিলাকে ইস্ৰায়েলৰ প্ৰথমে জন্মা ল'ৰা-ছোৱালীবিলাকক বধ কৰিলে, যাত্ৰাপুস্তক ১২ঃ১-১৪। বৰ্ণনা কৰক, আমি প্ৰভু ভোজ গ্ৰহণ কৰাৰ দ্বাৰাই যীচু খ্ৰীষ্টৰ তেজত বিশ্বাস কৰি এতিয়া আমি ৰক্ষা পাইছোঁ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net